**3 SEM TDC ASMH (CBCS) C 6**

**2023**

( Nov/Dec )

ASSAMESE

( Core )

Paper : C–6

( অসমীয়া কবিতাৰ চানেকি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া কবিতাৰ লিখিত ৰূপৰ নিদৰ্শন প্ৰথমে ক'ত পোৱা গৈছিল?

(খ) বিহুনাম, বিয়ানাম, আইনাম আদি কোন শ্ৰেণীৰ কবিতা?

(গ) 'জিকিৰ' শব্দটো কোন ভাষাৰ, কি শব্দৰ পৰা অহা বুলি কোৱা হয়?

(ঘ) আজান ফকীৰৰ আচল নাম কি আছিল?

(ঙ) 'নাহৰৰ মালিতা' কোন শ্ৰেণীৰ কবিতা?

(চ) 'চৰ্যাগীতিকোষ' নামৰ গ্ৰন্থখন নেপাল ৰাজদৰবাৰ গ্ৰন্থাগাৰৰ পৰা কোনে উদ্ধাৰ কৰি আনিছিল?

(ছ) 'ঊষা পৰিণয়' কাব্যৰ ৰচক কোন?

(জ) যাজ্ঞসেনী কোন?

২। (ক) অসমীয়া কবিতাৰ উদ্ভৱ আৰু বিকাশৰ এক সংক্ষিপ্ত ইতিহাস দাঙি ধৰাঁ। ১৫

*অথবা*

(খ) অসমীয়া কবিতাৰ ইতিহাসক কেইটা স্তৰত ভাগ কৰিব পাৰি? তাৰে যি কোনো এটা স্তৰৰ কবিতা সম্পৰ্কে আলোচনা কৰাঁ। ১+১৪=১৫

৩। (ক) অসমীয়া লোককবিতাৰ ক্ষেত্ৰখন অতি প্ৰাচুৰ্যপূৰ্ণ —এই কথাৰ আঁতধৰি অসমীয়া লোককবিতাৰ এটি পৰিচয়জ্ঞাপক আলোচনা দাঙি ধৰাঁ। ১৪

*অথবা*

(খ) কবিজনাৰ চমু পৰিচয় দাঙি ধৰি তোমাৰ পাঠ্য জিকিৰটিৰ মূল ভাৱ লিখাঁ। ৫+৯=১৪

৪। (ক) চৰ্যাপদসমূহক কি বোলা হয়? চৰ্যাপদৰ লগত অসমীয়া কবিতাৰ সম্পৰ্ক বিষয়ত এটি টোকা লিখাঁ। ১+৯=১০

*অথবা*

(খ) তোমাৰ পাঠ্য চৰ্যাপদটিৰ ভাবাৰ্থ লিখাঁ। ১০

৫। (ক) মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰি পাঠ্য অংশটিৰ বিষয়বস্তুৰ আভাস আগবঢ়োৱা। ৬+৯=১৫

*অথবা*

(খ) কবি-পৰিচয় আগবঢ়াই 'নামঘোষা'ৰ পৰা উদ্ধৃত কৰা তোমাৰ পাঠ্য কবিতাটিৰ ভাবাৰ্থ বৰ্ণনা কৰাঁ। ১৫

৬। (ক) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য উল্লেখ কৰি 'মাধুৰী' কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিষয়ত এক আলোচনা দাঙি ধৰাঁ। ৫+১০=১৫

*অথবা*

(খ) "'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাটোৰ জৰিয়তে নাৰীৰ মৰ্যাদাবোধ আৰু অস্তিত্ব ৰক্ষাৰ এক বৈপ্লৱিক চেতনাৰ প্ৰকাশ পাইছে।" কথাষাৰৰ আঁতধৰি কবিতাটোৰ বিশ্লেষণ আগবঢ়োৱা। ১৫

৭। চমুকৈ লিখাঁ (যি কোনো এটা) : ৩

(ক) মালিতা

(খ) বৰগীত

(গ) আধুনিক অসমীয়া কবিতা

★★★